# Course Code : ECNHC-403 (Honours/ Core)

## Course Title : Introductory Econometrics

## Unit - I

**3. Aims and Objectives of Econometrics (Goals of Econometrics).**

**Explanation:**

Econometrics-ৰ বিষয়বস্তু অন্তৰ্ভুক্ত হোৱা দুটা প্ৰধান অংগ হ'ল- Mathematical Economics আৰু Statistics। Econometrics-ৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য সমূহ তলত উল্লেখিত ধৰণেৰে দাঙি ধৰিব পাৰি। Econometrics-ৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্যসমূহ হ'ল-

a) Verification of Economic Theory (অৰ্থনৈতিক তত্ত্বৰ প্ৰমাণীকৰণ) ঃ
b) Estimation of Coeffient of Economic Relations (অৰ্থনৈতিক সম্পৰ্কৰ মান বা গুণাংক পৰিমাপ)
c) Forecast the Future Values of Economic Magnitudes (অৰ্থনৈতিক চলকৰ মানৰ ভৱিষ্যৎ প্ৰক্ষেপণ)

Econometrics-ৰ অধ্যয়নত এই লক্ষ্যসমূহ পৰস্পৰ বিবৰ্জিত নহয়, বৰং পৰস্পৰ সম্পৰ্কিতহে। এক সফল Econometrics প্ৰক্ৰিয়াৰ বিশ্লেষণত এই তিনিওটা লক্ষ্যই অন্তৰ্ভুক্ত হোৱা উচিত। Econometrics-ৰ এই প্ৰধান লক্ষ্য আৰু উদ্দেশ্যসমূহ তলত উল্লেখিত ধৰণেৰে ব্যাখ্যা কৰিব পাৰি-

**a) Verification of Economic Theory (অৰ্থনৈতিক তত্ত্বৰ প্ৰমাণীকৰণ) ঃ**

Econometrics-ৰ এক প্ৰধান লক্ষ্য আৰু উদ্দেশ্য হ'ল Verification of Economic Theory (অৰ্থনৈতিক তত্ত্বৰ প্ৰমাণীকৰণ)। সৰলতা আৰু যুক্তিপূৰ্ণ ধাৰাবাহিকতা থকা অৱস্থাতো কিছুমান প্ৰায়োগিক পৰীক্ষাৰ অবিহনে কোনো তত্ত্বই কেৱল ইয়াৰ নিজৰ গুণৰ ওপৰত ভিত্তি কৰি বৰ্তি থাকিব নোৱাৰে। Econometrics-ৰ এক প্ৰধান লক্ষ্য হ'ল- প্ৰায়োগিক পৰীক্ষাৰ জৰিয়তে অৰ্থনৈতিক তত্ত্বৰ প্ৰমাণীকৰণ। ইয়াৰ জৰিয়তে অৰ্থনৈতিক তত্ত্বই বাস্তৱ ক্ষেত্ৰত অৰ্থনৈতিক চলক বা উপাদানসমূহৰ কাৰ্যাৱলীক কিমান শুদ্ধভাৱে ব্যাখ্যা কৰিবলৈ সমৰ্থ হৈছে সেই সম্পৰ্কে অৱগত হ'ব পাৰি।

**b) Estimation of Coeffient of Economic Relations (অৰ্থনৈতিক সম্পৰ্কৰ মান বা গুণাংক পৰিমাপ)ঃ**

Econometrics-ৰ আন এক প্ৰধান লক্ষ্য হ'ল অৰ্থনৈতিক কাৰ্যাৱলীৰ পৰিমাপ আৰু বিশ্লেষণ। অৰ্থনৈতিক সম্পৰ্কসমূহৰ বিভিন্ন চলকৰ মান বা গুণাংকৰ উপযুক্ত আৰু নিৰ্ভৰযোগ্য পৰিমাপৰ বাবে Econometrics-ৰ বিভিন্ন পদ্ধতি আৰু কৌশল প্ৰয়োগ কৰা হয়। ইয়াৰ জৰিয়তে অৰ্থনৈতিক তত্ত্বৰ সৈতে সংলগ্ন প্ৰাচলসমূহৰ মূল্যাংকণ কৰা সম্ভৱ হয়। উপযুক্ত অৰ্থনৈতিক নীতিৰ প্ৰণয়নৰ ক্ষেত্ৰত এই বিশ্লেষণ অতি গুৰুত্বপূৰ্ণ।

**c) Forecast the Future Values of Economic Magnitudes (অৰ্থনৈতিক চলকৰ মানৰ ভৱিষ্যৎ প্ৰক্ষেপণ)ঃ**

Econometrics-ৰ আন এক উদ্দেশ্য হ'ল অৰ্থনৈতিক চলক আৰু ইয়াৰ মানৰ ভৱিষ্যৎ প্ৰক্ষেপণ। অৰ্থনৈতিক কাৰ্যাৱলী আৰু উন্নয়ন প্ৰক্ৰিয়াত ভৱিষ্যৎ প্ৰক্ষেপণ যথেষ্ট গুৰুত্বপূৰ্ণ। Econometrics-ৰ বিভিন্ন কৌশল আৰু পদ্ধতি সমূহ ভৱিষ্যৎ প্ৰক্ষেপণৰ সৈতে জড়িত হৈ থাকে।

××××××

**Probable Question :**

Explain the Aims and Objectives of Econometrics (Goals of Econometrics).